## শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা
## মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ অষ্টম      বিষয় ঃ ভাষা-১ (অসমীয়া)      চতুৰ্থ সাময়িকী (অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ), ২০১৮ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - লিখন কৌশল (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

➩ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন প্ৰকাৰৰ তথ্যভিত্তিক পাঠ পঢ়িবলৈ শিকিব।

➩ স্থানীয় লোক-সাহিত্য, কলা-সংস্কৃতি আদিৰ বিষয়ে জানি এই সম্পৰ্কে ৰচনা, প্ৰবন্ধ লিখিব পাৰিব।

➩ বিভিন্ন জনগোষ্ঠীয় সাজ-পোছাক, আ-অলংকাৰৰ বৈশিষ্ট্যৰ বিষয়ে টোকা লিখিব পাৰিব।

➩ ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথিৰ অন্তৰ্গত আৰু পাঠ্যপুথিৰ বহিৰ্ভূত পাঠ পঢ়ি বোধগম্য হ'ব আৰু নিজস্বভাৱে লিখি প্ৰকাশ কৰিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি চতুৰ্থ সাময়িকী (অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ)লৈকে সামৰা পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) সুখ | - | পাঠ নং ১২ |
| খ) হোমী জাহাংগীৰ ভাবা | - | পাঠ নং ১৩ |
| গ) সংস্কৃতি আমাৰ জীৱন | - | পাঠ নং ১৪ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত "শিক্ষাৰ অধিকাৰ আইন ২০০৯" অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱাৰ প্ৰতি আৰু সকলোৰে বাবে প্ৰাথমিক শিক্ষা বাধ্যতামূলক হোৱাটো নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

ভাষা শিক্ষণৰ মূল উদ্দেশ্যই হৈছে ছাত্ৰ-ছাত্ৰীৰ ভাষাৰ চাৰিওটা কৌশল (শ্ৰৱণ, কথন, পঠন আৰু লিখন)ৰ বিকাশ ঘটোৱা। পৰ্যায়ক্ৰমে ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম শ্ৰেণীৰ পৰাই লিখন কৌশল আহৰণ কৰে আৰু অষ্টম শ্ৰেণীত পূৰ্ণ পৰ্যায়ৰ লিখন কৌশল আয়ত্ত কৰিব লাগে। তেওঁলোকৰ বয়সৰ লগত খাপ খোৱা গল্প, কবিতা, প্ৰবন্ধ ৰচনা, জীৱনী আদি পঢ়ি তেওঁলোকেনিজা শৈলীৰে লিখিব পাৰিব লাগে।

যেতিয়া ছাত্ৰ-ছাত্ৰীয়ে নিজে কোনো কথা লিখিবলৈ আৰম্ভ কৰে, তেতিয়া তেনে কাৰ্যই তেওঁলোকৰ আগ্ৰহ আৰু উৎসাহ বঢ়ায়। অৰ্থাৎ যেতিয়া তেওঁলোকৰ নিজে ৰচনা কৰিব পৰা কৌশলৰ বিকাশ হয়, তেতিয়া তেওঁলোকে সুগঢ়ী আখৰ লিখা শুদ্ধ বানান লিখা, বিৰাম চিহ্ন ব্যৱহাৰ কৰা আৰু দফা বিভাজন কৰিবলৈ অভ্যাস কৰিব।

স্থানীয় লোক-সাহিত্য, কলা-সংস্কৃতি আদিৰ বিষয়ে অধ্যয়ন কৰি সেই সম্পৰ্কে ছাত্ৰ-ছাত্ৰীয়ে ৰচনা, প্ৰবন্ধ আদি লিখিব পাৰিব লাগে। যি কোনো প্ৰত্যক্ষ অভিজ্ঞতা সহজ সৰল ভাষাত লিখিব পাৰিব লাগে। দৈনন্দিন জীৱনৰ বিভিন্ন ঘটনা, সমস্যা বৰ্ণনা কৰি লিখনিৰ যোগেদি প্ৰকাশ কৰিব পাৰিব লাগে।

কিন্তু বাস্তৱ ক্ষেত্ৰত আমাৰ বিদ্যালয়সমূহত অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে ওপৰত উল্লেখ কৰা লিখন কৌশল আয়ত্ত কৰা দেখা নাযায়। বেছি সংখ্যক শিক্ষাৰ্থীৰে লিখনৰ পৰ্যায় দুৰ্বল। বাক্যত উচিত শব্দৰ প্ৰয়োগ, শুদ্ধ বানান, জতুৱা ঠাঁচ, খণ্ডবাক্য, ব্যাকৰণ শুদ্ধ ৰূপত প্ৰয়োগ কৰিলেহে লিখনিসমূহ সুন্দৰ হয়।

বিগত বৰ্ষৰ গুণোৎসৱৰ ফলাফলৰ প্ৰতিবেদনত লিখন কৌশল মূল্যায়নৰ বাবে দিয়া শ্ৰুতলিপিৰ ফলাফল সন্তোষজনক নহয়। যুক্তাক্ষৰযুক্ত শব্দ, একে উচ্চাৰণৰ বেলেগ শব্দ বুজোৱা বানান, 'শ, স, ষ'ৰ ব্যৱহাৰৰ ক্ষেত্ৰত আশা নকৰা ধৰণে ভুল কৰা দেখা গৈছে।

ওপৰত উল্লেখ কৰা এই শিকন ঘাটিবোৰ পুনৰ অষ্টম শ্ৰেণীত সম্পূৰ্ণৰূপে পূৰণৰ ব্যৱস্থা লোৱাটো সম্ভৱ নহয়; কাৰণ পূৰ্বৰ শ্ৰেণীসমূহতে ওপৰত উল্লেখিত বিষয়সমূহ ছাত্ৰ-ছাত্ৰীসকলে পৰ্যাপ্তভাৱে অনুশীলন কৰি নাহে। গতিকে লিখনৰ এই শিকন ঘাটিসমূহ পূৰাবৰ বাবে সময়ে সময়ে অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক পুনৰ অনুশীলন কৰোৱাৰ প্ৰয়োজন আছে।

এই সমল সামগ্ৰীটোত চতুৰ্থ সাময়িকীৰ পাঠ 'সুখ' (পাঠ নং ১২) 'হোমী জাহাংগীৰ ভাবা' (পাঠ নং ১৩) আৰু 'সংস্কৃতি আমাৰ জীৱন' (পাঠ নং ১৪) অন্তৰ্ভুক্ত কৰা হৈছে। 'সুখ' পাঠটো কবি আনন্দচন্দ্ৰ আগৰৱালা দেৱৰ দ্বাৰা ৰচিত এটা আধুনিক কবিতা। 'হোমী জাহাংগীৰ ভাবা' এটা বিজ্ঞানমূলক প্ৰৱন্ধ আৰু 'সংস্কৃতি' আমাৰ জীৱন' পাঠটো এটা সংস্কৃতিমূলক প্ৰৱন্ধ। পাঠকেইটা পঢ়ি, বুজি, পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ লিখিব পৰা, কবিতাৰ মূলভাৱ, সাৰাংশ লিখিব পৰা, ব্যাখ্যা কৰিব পৰা, বিজ্ঞানমূলক, সংস্কৃতিমূলক, প্ৰৱন্ধ, ৰচনা আদি নিজস্বভাৱে শুদ্ধকৈ লিখিব পৰা লিখন অৰ্হতাসমূহ ইয়াত সন্নিৱিষ্ট কৰা হৈছে।

পাঠ্যপুথিত লিখন কৌশল বিকাশৰ বাবে যথেষ্ট ক্ৰিয়া-কলাপ, অনুশীলনী দিয়া আছে। তথাপি ছাত্ৰ-ছাত্ৰীসকলৰ লিখনত থকা ভুল-ত্ৰুটীসমূহ আতঁৰাই সৃষ্টিশীল লিখনি লিখিবৰ বাবে নতুন নতুন শিক্ষণ-শিকন কৌশল আৰু ক্ৰিয়া-কলাপৰ খুবেই প্ৰয়োজন, যিবোৰ ক্ৰিয়া-কলাপত সকলো ছাত্ৰ-ছাত্ৰীকে জড়িত কৰাব পাৰি।

এই সমল সামগ্ৰীটোত সেই প্ৰচেষ্টা আগত ৰাখি কিছু নতুনত্ব থকা অভিজ্ঞতা আৰু পৰিকল্পনা সন্নিবিষ্ট কৰা হৈছে।

**ওপৰত উল্লিখিত শিকন ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম ঃ**

- ⇨ বানানৰ শুদ্ধতা নিশ্চিত কৰিব।
- ⇨ লিখন দক্ষতা পৰিপুষ্ট কৰিব।
- ⇨ যতি চিহ্নৰ সঠিক ব্যৱহাৰ শিকাত সহায়ক হব।
- ⇨ শব্দৰ অৰ্থ বুজি বাক্যত সঠিক ৰূপত প্ৰয়োগত সহায়ক হব।
- ⇨ ভাবৰ সংগতি ৰক্ষা কৰি বাক্য লিখন, দফা লিখনৰ দক্ষতা বঢ়াব।
- ⇨ তথ্য-সমৃদ্ধ লিখনি লিখিব পাৰিব।
- ⇨ সৃষ্টিশীল লিখনিৰ জৰিয়তে বিভিন্ন বিষয় সম্পৰ্কে নিজৰ মনৰ ভাব প্ৰকাশ কৰিব পাৰিব।

মূল্যায়নৰ প্ৰক্ৰিয়াতো লিখন কৌশলৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।

**লিখন কৌশল বিকাশৰ ব্যৱস্থাৱলী ঃ**

এই সমল সামগ্ৰী প্ৰস্তুত কৰাৰ মূল উদ্দেশ্য হ'ল — অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৃজনীমূলক লিখনৰ শিকন ঘাটি পূৰণৰ বাবে শ্ৰেণীকোঠাত যাতে ওপৰঞ্চি নতুন কাৰ্যব্যৱস্থা ল'ব পৰা যায় তাৰ বিষয়ে শিক্ষকসকলক অৱগত কৰা।

এই সমল সামগ্ৰীত ১২ নং, ১৩ নং আৰু ১৪ নং পাঠত থকা ক্ৰিয়া-কলাপৰ উপৰি শিক্ষকৰ সহায় হ'ব পৰাকৈ সন্নিৱিষ্ট কৰা অতিৰিক্ত ক্ৰিয়া-কলাপে যাতে শিক্ষণ-শিকন প্ৰক্ৰিয়াক আৰু বেছি ফলপ্ৰসূ কৰিব পাৰে তাৰবাবে যথাবিহিত ব্যৱস্থা লোৱাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। সামগ্ৰীটোত এই সকলোবোৰ সামৰিব পৰাটো সম্ভৱপৰ নহয়। সেয়েহে, এই সমল সামগ্ৰীটোত সাংস্কৃতিক উৎসৱৰ বিষয়ে ৰচনা, প্ৰৱন্ধ আদি সৃষ্টিশীল লিখনিৰ বিষয়ে থকা শিকন ঘাটিহে সামৰি লোৱা হৈছে।

**এই সমল সামগ্ৰীৰ পৰা আমি শিক্ষক হিচাপে কি শিকিব পাৰিম —**

- ⇨ ছাত্ৰ-ছাত্ৰীক জড়িতকৰণৰ বাবে পৰিৱেশ সৃষ্টি কৰিব পাৰিম।
- ⇨ মৌলিক লিখনিৰ জৰিয়তে নিজৰ ভাব, চিন্তা, অনুভূতি, অভিজ্ঞতা প্ৰকাশ কৰাৰ সুবিধা/সুযোগ গঢ়ি তুলিব পাৰিম।

- ➩ শিক্ষণ আৰু শিকন কাৰ্যৰ স্ব-মূল্যায়ন কৰিব পাৰিম।
- ➩ লিখনিৰ জৰিয়তে বানানৰ শুদ্ধতা, শব্দভাণ্ডাৰ বৃদ্ধিৰ নিশ্চিতকৰণৰ সুযোগ সৃষ্টি কৰিব পাৰিম।
- ➩ অবিৰত মূল্যায়নৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ বিকাশৰ লগতে আমিও আত্ম মূল্যায়নৰ সুবিধা পাম আৰু উদ্ভাৱনীমূলক ক্ৰিয়া-কলাপৰ অনুশীলনৰে শ্ৰেণীকোঠা অধিক গতিশীল কৰিব পাৰিম।
- ➩ ছাত্ৰ-ছাত্ৰীসকলক সৃষ্টিশীল লিখনিৰ প্ৰতি আগ্ৰহী কৰি তুলিবলৈ পৰিৱেশ সৃষ্টি কৰিব পাৰিম।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপতে উপস্থাপন কৰা হ'ল -**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| ক) স্থানীয় লোক-সাহিত্য, কলা সংস্কৃতি আদিৰ বিষয়ে জানি এই সম্পৰ্কে ৰচনা, প্ৰবন্ধ লিখিব পাৰিব। | কাৰ্ড<br>পাঠ্যপুথি | দলগত ক্ৰিয়া-কলাপ<br>ব্যক্তিগত ক্ৰিয়া-কলাপ | ক) 'বাৰে বৰণীয়া অসমীয়া সংস্কৃতি' সম্পৰ্কে ১০০ টা শব্দৰ ভিতৰত এখন ৰচনা লিখা।<br>খ) তোমালোকৰ অঞ্চলত প্ৰচলিত বিয়ানাম সংগ্ৰহ কৰি লিখা।<br>গ) তুমি বাস কৰা অঞ্চলত কি কি উৎসৱ পালন কৰা হয় তাৰ এখন তালিকা প্ৰস্তুত কৰা | অ<br>বি<br>ৰ<br>ত<br>আ<br>ৰু |
| ক) পাঠ্যপুথিৰ অন্তৰ্গত পাঠ বোধগম্য হ'ব আৰু নিজস্বভাৱে লিখি প্ৰকাশ কৰিব পাৰিব। | পাঠ্যপুথি | দলগত ক্ৰিয়া-কলাপ<br>ব্যক্তিগত ক্ৰিয়া-কলাপ | ক) 'সংস্কৃতিৰ অন্যতম উপাদান হ'ল আচাৰ আচৰণ' — কথাযাৰিৰ ভাৱ বহলাই লিখা।<br>খ) চমুটোকা লিখা — অসমৰ বাচন-বৰ্তন, প্ৰকৃতি, উৎসৱ-পাৰ্বন, সংস্কৃতি<br>গ) ব্যাখ্যা কৰাঃ 'সংস্কৃতিৰ দুটা ৰূপ — এটা বাহ্যিক আৰু আনটো আভ্যন্তৰিণ'।<br>ঘ) বাক্য ৰচনা কৰা ঃ আচৰণ, কৃষ্টি, মূল্যবোধ, ৰুচিবোধ, সম্পদ। | সা<br>ম<br>গ্ৰি<br>ক<br>মূ<br>ল্যা<br>য়<br>ন |

**ক্ষেত্ৰ অধ্যয়ন ঃ** অৰুন্ধতী মহন্ত শিৱসাগৰ ওচৰৰ এখন অষ্টম শ্ৰেণীত (অসমীয়া ভাষা) পঢ়ুওৱা এগৰাকী শিক্ষয়িত্ৰী। অৰুন্ধতী বাইদেৱে ভাষা বিষয়টো শ্ৰেণীত আদান-প্ৰদান কৰা সময়ত মন কৰিছিল যে ছাত্ৰ-ছাত্ৰীসকলৰ দফা বিভাজন, মূলভাৱ আদি লিখনৰ ক্ষেত্ৰত যথেষ্ট ঘাটি আছে। এই ঘাটিসমূহ আঁতৰাবৰ বাবে অৰুন্ধতী বাইদেৱে পৰ্যায়ক্ৰমে পাঠ নং ১৪ ৰ আলমত নিদানমূলক ব্যৱস্থা পৰিকল্পনা কৰি শিক্ষণ-শিকন প্ৰক্ৰিয়াত প্ৰয়োগ কৰিলে।

অৰুন্ধতী বাইদেৱে কেনেকৈনো ক্ৰিয়া-কলাপৰ সহায়ত ছাত্ৰ-ছাত্ৰীক দফা বিভাজন ৰচনা লিখিবলৈ উৎসাহ জন্মালে চাওঁ আহক। বাইদেউৰ নিজৰ মুখৰ পৰাই শুনোঁ আহক —

'মই মাতৃভাষাৰ শিক্ষাদান দিওঁতে প্ৰায়েই ক্ৰিয়া-কলাপৰ সহায় লৈছিলোঁ। মই নিয়মিত ভাৱে বাতৰিকাকত, আলোচনী আদিৰ পৰা লোক কলা, বিভিন্ন সংস্কৃতিমূলক, বিজ্ঞান সম্পৰ্কীয়, পৰিৱেশ সম্পৰ্কীয় ৰঙচঙীয়া ছবি কাটি সংগ্ৰহ কৰোঁ। ১৪ নং পাঠটি আদান-প্ৰদান কৰোঁতে মই মন কৰিছিলোঁ যে বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীয়েই যেন পাঠটোৰ কথাবোৰ বুজাত অসুবিধা পাইছে। মই ছবিবোৰৰ সম্পৰ্কে সংক্ষেপে সকলোকে কলোঁ ; তাৰ পাছত সকলোকে নিজৰ নিজৰ টোকাবহীত 'সংস্কৃতি' নো কি সেই বিষয়ে ৫ টা কৈ বাক্য লিখিবলৈ দিলোঁ। কিন্তু সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়েই বিষয়টো জুকিয়াই লিখাত সমৰ্থ নহ'ল।

মই আগতে সংগ্ৰহ কৰি থোৱা ছবিবোৰৰ পৰা তলৰ তালিকাত দিয়া ছবি কেইখন উলিয়াই ল'লোঁ ।

১) বিহু নৃত্যৰ ছবি।
২) সত্ৰীয়া নৃত্যৰ ছবি।

৩) আঘোণৰ সোণোৱালী পথাৰৰ ছবি।
৪) মছজিদৰ ছবি।
৫) অসমীয়া আ-অলংকাৰৰ ছবি।
৬) কাহঁৰ বাচন বৰ্তনৰ ছবি।
৭) বিয়াৰ ছবি (যি কোনো)

মই ৪/৫ জনীয়া দল কৰি প্ৰতি দলক ছবি একোখন দি ছাত্ৰ-ছাত্ৰীসকলক কিছুসময়ৰ বাবে একেলগে আলোচনা কৰিবলৈ দিওঁ। তাৰ পিছত প্ৰত্যেক দলকে ছবিখনৰ ওপৰত ১০ শাৰীৰ দফা লিখিবলৈ দি শিৰোনামা দিবলৈ কওঁ। যেতিয়া প্ৰতিটো দলৰে লিখা শেষ হয়, দলৰ যি কোনো এজনক পঢ়িবলৈ দিওঁ। এনেদৰে প্ৰত্যেক দলেই পঢ়ি শুনোৱাৰ শেষত দফাবোৰ মই গোটাই মূল্যায়ন কৰোঁ। ভুল হ'লে পুনৰ শুদ্ধকৈ লিখিবলৈ দিওঁ। এনেদৰে বাৰে বাৰে অনুশীলন কৰাৰ পিচত পুনৰ মই বেলেগ ছবি দি প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীকে লিখিবলৈ দিওঁ। প্ৰত্যেকে যাতে লিখা কথাবোৰ মনোযোগ দিয়ে, সেই দিশত মই গুৰুত্ব দিওঁ। কিয়নো ভাল ৰচনাৰ বাবে বিষয়-জ্ঞান আৰু মনোযোগৰ প্ৰয়োজন হয়। লগতে ছাত্ৰ-ছাত্ৰীৰ আত্মবিশ্বাস বৃদ্ধি পায়।'

এনেদৰে মহন্ত বাইদেৱে ১৪ নং পাঠটো ক্ৰিয়া-কলাপৰ সহায়ত আদান-প্ৰদান কৰি সকলো ছাত্ৰ-ছাত্ৰীকে জড়িত কৰিব পাৰিছিল। এই গোটেই ক্ৰিয়া-কলাপটো কৰিবলৈ ৬ দিনত ৩ টা পিৰিয়দ ব্যৱহাৰ কৰিছিল।

***বিঃদ্ৰঃ অৰুন্ধতী মহন্তই বিশেষভাৱে সক্ষম ছাত্ৰজনৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছিল।***

**চিন্তা কৰি চাওঁ আহক —**

- ⇨ অৰুন্ধতী মহন্তই ক্ৰিয়া-কলাপৰ সহায় লোৱাৰ কথা কিয় চিন্তা কৰিলে?
- ⇨ ক্ৰিয়া-কলাপ কৰি থকা সময়ত শিক্ষকে ছাত্ৰ-ছাত্ৰীক মূল্যায়ন কৰিবলৈ কি সুযোগ পাব?
- ⇨ অৰুন্ধতী মহন্তই ছাত্ৰ-ছাত্ৰীক ব্যক্তিগত আৰু দলগতভাৱে লিখন কাৰ্যত কিয় জড়িত কৰিছিল?

**ক্ৰিয়া-কলাপ ঃ** অষ্টম শ্ৰেণীৰ কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ৰচনা, দফা, আদি লিখিব নোৱাৰে। তাৰ সমাধানৰ বাবে শিক্ষকে ১৩ নং আৰু ১৪ নং পাঠৰ আলমত তলৰ তালিকাত দিয়াৰ দৰে কিছুমান কাৰ্ড প্ৰস্তুত কৰি ল'ব।

**কাৰ্ডৰ তালিকা**

| | | | | | | |
|---|---|---|---|---|---|---|
| অসমীয়া সাজ-পোছাক | অসমীয়া আ-অলংকাৰ | বিহুনৃত্য | অসমৰ উৎসৱ | তামোল-পাণ | সংস্কৃতি | কাতি বিহু |

প্ৰথমতে শিক্ষকে ১৪ নং 'সংস্কৃতি আমাৰ জীৱন' পাঠটি বুজাই পুনৰালোচনাৰ অন্তত লিখন দক্ষতা বিকাশৰ বাবে তলত দিয়া ক্ৰিয়া-কলাপটো কৰাব পাৰে।

শ্ৰেণীকোঠাত থকা ছাত্ৰ-ছাত্ৰীসকলক ৪/৫ জনীয়া দলত ভাগ কৰি আগতে প্ৰস্তুত কৰা কাৰ্ডসমূহ বিলাই দিব। এতিয়া নিৰ্দিষ্ট বিষয়ৰ আলমত এখন ৰচনা নিৰ্দিষ্ট সময়ৰ ভিতৰত লিখিবলৈ দিব। প্ৰত্যেক দলকে নিজে লিখা কথাখিনি উপস্থাপন কৰিবলৈ দিব। কিবা ভুল-ক্ৰটি হ'ল ছাত্ৰ-ছাত্ৰীৰ সহযোগত শিক্ষকে আঙুলিয়াই দি পুনৰ লিখিবলৈ দিব।

এনেদৰে ১২ নং পাঠ 'সুখ' কবিতাটো পঢ়ি কি বুজিলে প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীকে লিখিবলৈ দিব পাৰে। ১৩ নং পাঠ 'হোমী জাহাংগীৰ ভাবা' পাঠটো বুজাই বিভিন্ন অংশত ভাগ কৰিব পাৰে।

যেনে ঃ-

জন্ম
শিক্ষা জীৱন
কৰ্ম জীৱন
বিজ্ঞানলৈ অৱদান

এনেদৰে ভাগ কৰি প্ৰত্যেক দলকে একোটাকৈ অংশৰ বিষয়ে লিখিবলৈ দিব পাৰে। প্ৰত্যেক দলে নিজে লিখা কথাবোৰ যাতে শ্ৰেণীকক্ষত আদান-প্ৰদান কৰিব পাৰে তাৰ পৰিৱেশ গঢ়ি তুলিব পাৰে।
এনেদৰে শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক জড়িত কৰি সৃষ্টিশীল ৰচনা লিখিবলৈ উৎসাহিত কৰিব পাৰিব।

**সাৰাংশ ঃ-** বিভিন্ন ধৰণৰ ক্ৰিয়া-কলাপ আৰু পৰ্যাপ্ত অনুশীলনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ লিখন কৌশলৰ বিকাশ সাধন কৰিব পাৰি। শিক্ষকে নিশ্চিত কৰিব যে ছাত্ৰ-ছাত্ৰীয়ে পাঠত থকা যি কোনো এটা বিষয়ে অধ্যয়ন কৰি, বুজি নিজস্ব লিখন শৈলীৰে প্ৰকাশ কৰিব পাৰিছে। শিক্ষকে চাব যাতে এক আনন্দদায়ক পৰিৱেশত ক্ৰিয়া-কলাপৰ মাধ্যমেৰে স্বতঃস্ফুতভাৱে ছাত্ৰ-ছাত্ৰীসকল লিখন কাৰ্যত জড়িত হৈছে আৰু পাঠৰ অন্তৰ্ভূক্ত ৰচনাৰ সৈতে সকলো ছাত্ৰ-ছাত্ৰীকে শিক্ষকে জড়িতকৰণ কৰিব পাৰিছে। বাৰে বাৰে স্ব-মূল্যায়ন কৰাৰো সুযোগ পাইছে।

ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁচোন —

- ‘বাৰে বৰণীয়া অসমীয়া সংস্কৃতি’ এই সম্পৰ্কে ১০০ টা শব্দৰ ভিতৰত এখন ৰচনা লিখা।
- তোমালোকৰ অঞ্চলত প্ৰচলিত ‘বিয়ানাম’ সংগ্ৰহ কৰি লিখা।
- তুমি বাস কৰা অঞ্চলত কি কি উৎসৱ পালন কৰা হয় এখন তালিকা প্ৰস্তুত কৰা।

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলন ঃ**

- ‘সংস্কৃতিৰ অন্যতম উপাদান হ’ল আচাৰ-আচৰণ’ — কথাষাৰিৰ ভাব বহলাই লিখা।
- চমুটোকা লিখা — অসমৰ বাচন-বৰ্তন, প্ৰকৃতি, উৎসৱ-পাৰ্বণ, সংস্কৃতি।
- ব্যাখ্যা কৰা — ‘সংস্কৃতিৰ দুটা ৰূপ - এটা বাহ্যিক আনটো আভ্যন্তৰীণ’।
- বাক্য ৰচনা কৰা — আচৰণ, কৃষ্টি, মূল্যবোধ, ৰুচিবোধ।

**প্ৰসঙ্গ পুথি ঃ**

- পাঠ্যপুথি — অংকুৰণ (অষ্টম শ্ৰেণী)
- গুণোৎসৱ আৰু নাচৰ (NAS) 2017 ৰ ফলাফল।
- Tess India মডিয়ুল।
- চন্দ্ৰকান্ত অভিধান।
- আধুনিক ভাষাবিজ্ঞান পৰিচয় — ফণীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা।

*****